**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-04-2026 **Time :** 1100 Hrs.

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাসমূহ হৈছে– দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বানকুৰা, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ। এই পৰ্যায়ৰ নিৰ্বাচনত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪ অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ভোট কেন্দ্ৰসমূহৰ ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ দুহেজাৰ ৪০৭টা কোম্পানীৰ ২ লাখ ৪০ হাজাৰৰো অধিক জোৱান নিয়োগ কৰিছে। তদুপৰি দ্ৰুত সঁহাৰি দলো ভোটকেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ সময়ছোৱাত যিকোনো ওজৰ-আপত্তিৰ বাবে আয়োগে ১৮০০৩-৪৫০০০৮ টোল ফ্ৰি নম্বৰ আৰু ই-মেইল আইডি মুকলি কৰিছে। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা ৰখা হৈছে। ভোট কেন্দ্ৰসমূহৰ বাহিৰত মোবাইল ফোন ৰখাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

তামিলনাডু বিধানসভাৰ ২৩৪ খন আসনৰ বাবে আজি পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। অৱশ্যে ৬ বজাৰ পূৰ্বে শাৰীত থিয় হৈ থকা ভোটদাতাসকলক নিৰ্ধাৰিত সময়ৰ পাছতো ভোটদান কৰিবলৈ দিয়া হ'ব। আজিৰ ভোটগ্ৰহণত ৫ কোটি ৭৩ লাখৰো অধিক ভোটদাতাই ৪ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া অৰ্চনা পাটনায়েকে প্ৰকাশ কৰা মতে ভোটগ্ৰহণ শান্তিপূৰ্ণ, সুশৃংখল আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনত ৭৫ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে কমেও ৮৪ হাজাৰ আৰক্ষীৰ লোক নিয়োগ কৰাৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু চি আৰ পি এফৰ ৩০০টা কোম্পানী নিয়োগ কৰা হৈছে।

০০০০০০০০

নিৰ্বাচন আয়োগে ৪ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে পৰহিলৈ গুৱাহাটীত প্ৰথমখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰিব। এই কৰ্মশালাত ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত, প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ৰিটাৰ্নিং বিষয়া আৰু জিলা নিৰ্বাচন বিষয়াসকল উপস্থিত থাকিব। পৰৱৰ্তী পৰ্যায়ত ২৭ এপ্ৰিলৰ পৰা জিলাই জিলাই ভোটগণনাকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ভোটগণনাৰ সময়ত প্ৰতিখন গণনা মেজত ন্যূনতম তিনিজনকৈ বিষয়া থাকিব জিলা সদৰসমূহত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ কাষতে সাজু কৰা প্ৰতিটো গণনা কক্ষৰ বাবে নিয়োজিত মাইক্ৰ' অবজাৰ্ভাৰ সকলো গণনা কাৰ্যত উপস্থিত থাকিব। তদুপৰি ডাক বেলট গণনাৰ বাবে সুকীয়া কক্ষ থাকিব। প্ৰতিটো বিধানসভা সমষ্টিৰ ডাক বেলট গণনাৰ বাবে গণনা কক্ষসমূহত সুকীয়াকৈ ছখন পৰ্যন্ত মেজ ৰখাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে সংশ্লিষ্ট বিষয়াসকলক জিলা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হ'ব।

০০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰ শুনানি অনুষ্ঠিত হৈছে। অভিযুক্ত মহন্তৰ জামিন আবেদন সন্দৰ্ভত কালি আদালতে শুনানি গ্ৰহণ

কৰে যদিও সময়ৰ অভাৱত সেয়া সম্পূৰ্ণ নোহোৱাৰ বাবে আজি পুৱাৰ ভাগৰ পৰা পুনৰ শুনানি অনুষ্ঠিত হৈছে। কালিৰ এই শুনানি সন্দৰ্ভত এগৰাকী চৰকাৰী অধিবক্তাই এইদৰে কয়—

**বাইট (অধিবক্তা)**

০০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীত আৰক্ষীয়ে অভিযান চলাই নাগালেণ্ডলৈ গোপনে সৰবৰাহ কৰাৰ বাবে অনা বৃহৎ পৰিমাণৰ অৰুণাচলৰ সুৰা জব্দ কৰিছে। এখন ট্ৰাকত চিমেণ্টৰ বস্তাৰ মাজত লুকুৱাই অনা অৱস্থাত সুৰাখিনি জব্দ কৰা হয়। এই চিমেণ্টসমূহ তেজপুৰৰ বালিপৰাৰ পৰা উঠোৱা হৈছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে ট্ৰাকখন জব্দ কৰাৰ লগতে চালক আৰু হেন্দিমেনক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা সুৰাখিনিৰ বজাৰমূল্য ১৫ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে।

০০০০০০০

মণিপুৰৰ থৌবাল জিলাত থকা খেবাছিঙৰ যুদ্ধ স্মাৰকত আজি খংজম দিৱস পালন কৰা হৈছে। ১৮৯১ চনত ইংৰাজৰ বিৰুদ্ধে খংজমত হোৱা যুদ্ধত চৰম বলিদান দিয়া সাহসী মণিপুৰী যোদ্ধাসকলৰ স্মৃতিত প্ৰতিবছৰে ২৩ এপ্ৰিলত এই দিৱস পালন কৰা হয়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা আৰু মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিঙে আজি এই দিৱসৰ কাৰ্যসূচীত অংশ লৈ যুদ্ধ স্মাৰকত শ্বহীদসকলৰ প্ৰতি পুষ্পমাল্য তৰ্পণ কৰে। ইয়াৰ পাছতে তোপধবনিৰে বীৰ জোৱানসকলক সন্মান জনোৱা হৈছে। তদুপৰি এই যুদ্ধৰ স্মৃতিত খংজম নৈত তৰ্পণ কাৰ্যসূচী আৰু এখন নাট মঞ্চস্থ কৰা হ'ব। অনুষ্ঠান নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথসমূহতো জনসাধাৰণৰ সুবিধা হোৱাকৈ সুৰক্ষা ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত কেইবাটাও সংগঠনে বন্ধ কাৰ্যসূচী ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা লোৱা হৈছে। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীত অংশ ল'বলৈ আগ্ৰহীসকলৰ সুবিধাৰ্থে বিশেষ বাছ চলাচলৰো ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে ১৮৯১ চনৰ এই যুদ্ধত মণিপুৰী যোদ্ধাসকলে ইংৰাজৰ বিৰুদ্ধে ৮ খন যুদ্ধক্ষেত্ৰত যুঁজ দিছিল আৰু খংজমৰ অন্তিমখন যুদ্ধক্ষেত্ৰত দিয়া যুঁজৰ ফলত ৰাজ্যখনে সফলতা লাভ কৰিছিল।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৪০ ৰানত পৰাস্ত কৰে।

০০০০০০০০

**সমাপ্ত**